**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনিটা ছেমি কনডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।
২। প্ৰধানমন্ত্ৰীয়ে কালি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাকৰ সৈতে টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰে।
৩। ভাৰত আৰু মৰিচাছৰ মাজত আজি প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব।
৪। চৰকাৰে জামা নেটৱৰ্কত ভাৰতবৰ্ষত অনাহাৰে থকা শিশু সন্দৰ্ভত প্ৰকাশিত প্ৰবন্ধটোক ভুৱা বুলি অভিহিত কৰিছে।

**আৰু**

৫। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ইণ্ডিয়াজ টেকেড ঃ চিপছ ফৰ বিকশিত ভাৰত কাৰ্যসূচীত অংশগ্ৰহণ কৰিব আৰু প্ৰায় এক লাখ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ৩টা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশৰ যুৱক-যুৱতীকো সম্বোধন কৰিব। আধাৰশিলা স্থাপন কৰিবলগীয়া প্ৰকল্পসমূহৰ ভিতৰত গুজৰাটৰ ধোলেৰা বিশেষ বিনিয়োগ অঞ্চলত ছেমি কণ্ডাক্টৰ নিৰ্মাণ সুবিধা, অসম তথা গুজৰাটত বাহিৰৰ পৰা অনা ছেমি কণ্ডাক্টৰৰ যন্ত্ৰাংশৰ সংযোজন সুবিধা আছে। এই প্ৰকল্পসমূহৰ জৰিয়তে ভাৰতবৰ্ষক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুসৰি ছেমি কণ্ডাক্টৰৰ আৰ্হি প্ৰস্তুত, নিৰ্মাণ আৰু প্ৰযুক্তি উন্নয়নৰ গোলকীয় কেন্দ্ৰৰূপে গঢ়ি তোলা হ'ব। এই গোটসমূহে অৰ্ধপৰিবাহী খণ্ডত হাজাৰ হাজাৰ যুৱক যুৱতীৰ বাবে কৰ্মসংস্থাপন প্ৰদান কৰিব আৰু ইলেকট্ৰনিক্স তথা দূৰসংযোগৰ দৰে ক্ষেত্ৰত কৰ্মস্থাপনৰ সুবিধা সৃষ্টিত সহায় কৰিব। অনুষ্ঠানত ছেমি কণ্ডাক্টৰ খণ্ডৰ বিশিষ্ট উদ্যোগপতি, মহাবিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু যুৱক যুৱতীয়ে অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি সুনাকৰ সৈতে টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়চোৱাত নেতাদ্বয়ে দ্বিপাক্ষিক সৰ্বাত্মক কৌশলগত সহযোগিতাক অধিক শক্তিশালী কৰাৰ প্ৰচেষ্টা বৰ্তাই ৰখাৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰে। তেওঁলোকে বাণিজ্য, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, প্ৰযুক্তি আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰোডমেপ ২০৩০ৰ অধীনত হোৱা অগ্ৰগতিক লৈ সন্তুষ্টি প্ৰকাশ কৰে। বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই পাৰস্পৰিকভাৱে লাভজনক

মুক্ত বাণিজ্য চুক্তিৰ আগতীয়া সমাপ্তিৰ দিশত হোৱা অগ্ৰগতিৰ ইতিবাচক মূল্যায়ন কৰে। তেওঁলোকে লগতে উভয় দেশৰ স্বাৰ্থ জড়িত থকা আঞ্চলিক আৰু গোলকীয় বিষয়লৈয়ো মত বিনিময় কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নায়াব ছাইনীক হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনৰ জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ বাবে হাৰিয়ানাৰ মন্ত্ৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে মধ্যপ্ৰদেশৰ খাজুৰাহোৰ পৰা নতুন দিল্লীলৈ বন্দে ভাৰত ৰে'লগাড়ীৰ যাত্ৰা মুকলি কৰে। এইখন হ'ল মধ্যপ্ৰদেশত চলা চতুৰ্থখন বন্দে ভাৰত ৰে'লগাড়ী।

প্ৰধানমন্ত্ৰীয়ে লগতে ৰামগঞ্জমণ্ডি-ভোপাল নতুন ৰেলপথ প্ৰকল্পৰ অধীনৰ নিশাতপুৰা-সন্ত হিৰ্দাৰাম নগৰ ৰেলৰে অংশৰো উদ্বোধন কৰে। অনুষ্ঠানত শ্ৰীমোদীয়ে দুশ দুটা বৈদ্যুতিক ইন্টাৰলকিং, ৫৭টা এক ষ্টেশ্যন এক সামগ্ৰী বিক্ৰীকেন্দ্ৰ, ৬৬টা সৌৰ প্ৰকল্প আৰু ৰাজ্যখনৰ ৰেলপথৰ দ্বৈতকৰণৰ বাবে ১৩টা নতুন ৰে'লপথো মুকলি কৰে। ইয়াৰ উপৰি অনুষ্ঠানত শ্ৰীমোদীয়ে চাৰিটা প্ৰধানমন্ত্ৰী জন ঔষধি কেন্দ্ৰও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

০০০০০

ভাৰত আৰু মৰিচাছৰ মাজত আজি প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। এই আলোচনাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবিন্দ কুমাৰ জগনাথ উপস্থিত থাকিব। আলোচনাকালত কেইবাটাও বুজাবুজি চুক্তিৰ আদান-প্ৰদান কৰা হ'ব আৰু কেইবাটাও প্ৰকল্পৰ ই-উদ্বোধন কৰা হ'ব। ইয়াৰ উপৰি ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মৰিচাছৰ কিছু গুৰুত্বপূৰ্ণ ঐতিহাসিক আৰু ধৰ্মীয় স্থান পৰিদৰ্শন কৰিব।

০০০০০

চৰকাৰে সকলো ঔষধ সংস্থাকে ঔষধৰ বিপণনৰ বাবে নৈতিক কমিটী গঠন কৰিবলৈ আৰু নিজৰ ৱেবচাইটত ঔষধ বিপণনৰ বাবে উমৈহতীয়া বিধি প্ৰস্তুত কৰিবলৈ আহ্বান জনাইছে। ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ে কৈছে যে, ঔষধ কোম্পানীসমূহে স্বাস্থ্য সেৱা বৃত্তিৰ সৈতে জড়িত ব্যক্তি অথবা তেওঁ পৰিয়ালৰ কোনো সদস্যক কোনো ধৰণৰ উপহাৰ দিয়া উচিত নহয়। মন্ত্ৰালয়ে কৈছে যে, ঔষধ কোম্পানী অথবা তেওঁলোকৰ প্ৰতিনিধিসকলে দেশ-বিদেশ ভ্ৰমণৰ প্ৰস্তাৱ দিব নালাগে। ঔষধৰ বিনামূলীয়া নমুনা অকল চিকিৎসককহে দিয়া উচিত বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে লগতে ঔষধ কোম্পানীৰ প্ৰতিনিধিসকলে নিজৰ দায়িত্ব পালনৰ ক্ষেত্ৰত নৈতিক আচৰণৰ উচ্চমান বৰ্তাই ৰখা উচিত বুলি উল্লেখ কৰিছে।

০০০০০

চৰকাৰে কৈছে যে, জামা নেটৱৰ্কত ভাৰতবৰ্যত অনাহাৰে থকা শিশু সন্দৰ্ভত প্ৰকাশিত প্ৰবন্ধটোক ভুৱা বাতৰিৰে চাঞ্চল্য সৃষ্টিৰ উদ্দেশ্যে ন্যস্ত স্বাৰ্থ জড়িত মহলে চলোৱা উদ্দেশ্য প্ৰণোদিত আৰু দুৰ্ভাগ্যজনক প্ৰয়াস বুলি অভিহিত কৰিছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে কালি কয় যে, ভাৰতত শিশুৰ পৰিপুষ্টিজনিত স্থিতি সন্দৰ্ভত ইমান ব্যাপক আৰু সাধাৰণীকৰণত উপনীত হ'ব পৰাকৈ অধ্যয়নটোত কোনো প্ৰাথমিক গৱেষণা

চলোৱা হোৱা নাই। মন্ত্ৰ্যালয়ে কৈছে যে, লেখকসকলে নিজে তথ্যক লৈ আশংকাৰ কথা স্বীকাৰ কৰিছে আৰু কমেও ৯ প্ৰকাৰৰ সীমাবদ্ধতাৰ কথা উল্লেখ কৰিছে যিয়ে অধ্যয়নটো অনিৰ্ভৰযোগ্য কৰি তুলিছে। ৰাজ্য চৰকাৰ অথবা কোনো ব্যক্তিগত সংস্থাই কোনো শিশু অনাহাৰে থকাৰ তথ্য দিয়া নাই বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে কৈছে যে, ভাৰতত ৬ মাহৰ পৰা ৬ বছৰৰ প্ৰায় ১৩ কোটি ৭ লাখ শিশুৰ ভিতৰত ৮ কোটি ৯ লাখ শিশু অংগনৱাড়ী কেন্দ্ৰত পঞ্জীকৃত হৈ আছে আৰু পোষণ ট্ৰেকাৰ ব্যৱস্থাৰে আধাৰৰ সহায়ত ইয়াৰে ৯৫ শতাংশ শিশুৰ সত্যাসত্যৰ নিৰূপণ কৰা হৈছে।

ooooo

নতুন দিল্লীত কালি ২৪টা ভাৰতীয় ভাষাক প্ৰতিনিধিত্ব কৰা বিশিষ্ট লেখকসকলক ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা প্ৰদান কৰা হয়। ভাৰতীয় সাহিত্য জগতলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে লেখকসকলৰ প্ৰতিগৰাকীকে ১ লাখ টকাকৈ নগদ ধন আৰু স্মাৰক আগবঢ়োৱা হয়। অনুষ্ঠানত উড়িশাৰ প্ৰসিদ্ধ সাহিত্যিক প্ৰতিভা ৰায় মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

ooooo

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত যোৱাবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰিছে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰান সংগ্ৰহ কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ হৈ এলিছে পেৰীয়ে ৬টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত বাংগালোৰ দলে অষ্ট্ৰেলিয়াৰ অল ৰাউণ্ডাৰ পেৰীৰ অপৰাজিত ৪০ ৰানৰ সহায়ত ১৫ অভাৰতে ১১৪ ৰানত লক্ষ্যত উপনীত হয়। এই জয়ৰ সুবাদত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে মুঠ ৮খন খেলৰ ভিতৰত ৪খনত জয়লাভ কৰি আৰু ৪খনত পৰাজিত হৈ ৮ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থানত থাকে। দলটোৱে এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছ অথবা দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। মুম্বাই ইণ্ডিয়ানছেও ৮খন খেলৰ পৰা ১০ পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

ooooo

অলিম্পিকত পদক বিজেতা পি ভি সিন্ধু ব্রিটেইনৰ বাৰ্মিংহামত চলি থকা অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰথম ৰাউণ্ডত সিন্ধুৱে জাৰ্মানীৰ প্ৰতিদ্বন্দ্বী হুনে লিয়াফতৰৰ বিৰুদ্ধে ৱাকঅভাৰ লাভ কৰে। প্ৰতিদ্বন্দ্বী খেলুৱৈগৰাকীয়ে শাৰীৰিক অসুস্থতাৰ বাবে খেলৰ পৰা নাম প্ৰত্যাহাৰ কৰাৰ সময়ত সিন্ধুই প্ৰথমটো গেমত ২১-১০ ফলাফলেৰে আগবাঢ়ি আছিল। প্ৰাক্তন বিশ্ব চেম্পিয়ন সিন্ধু দ্বিতীয় ৰাউণ্ডত শীৰ্ষ বাছনিপ্ৰাপ্ত কোৰিয়াৰ ৱান চে য়াঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

অৱশ্যে ভাৰতৰ এইছ এছ প্ৰণয়, কিদাম্বী শ্ৰীকান্ত আৰু আকৰ্ষী কাশ্যপে প্ৰথম ৰাউণ্ডৰ পৰাই প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে। পুৰুষৰ ছিংগলছত চীনা টাইপেইৰ চ্যু লি য়াঙে এইছ এছ প্ৰণয়ক পৰাস্ত কৰাৰ বিপৰীতে কিদাম্বী শ্ৰীকান্তক বিশ্বৰ শীৰ্ষ স্থানৰ খেলুৱৈ ভিক্টৰ এক্সেলছেনে পৰাভূত কৰে। ইপিনে মহিলাৰ ছিংগলছত চীনা টাইপেইৰ পাই য়ু-প'ৱে ভাৰতৰ আকৰ্ষী কাশ্যপক পৰাস্ত কৰে। মহিলাৰ ডাবলছত ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো ইন্দোনেছিয়াৰ অপ্ৰিয়ানী ৰাহায়ু আৰু ছিটি ফাদিয়া ছিলভা ৰামাধান্তিৰ যুটিৰ বিৰুদ্ধে পৰাস্ত হয়।

পুৰুষৰ ডাবলছত আজি চিৰাগ ছেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডীৰ বিশ্বৰ শীৰ্ষ স্থানৰ ভাৰতীয় যুটিটোৰ লগতে পুৰুষৰ ছিংগলছত লক্ষ্য সেন আৰু প্ৰিয়াংশু ৰাজাৱাটে নিজৰ অভিযান আৰম্ভ কৰিব।

০০০০০

সমাপ্ত